**SANSKRITAYAN :** A collection of Articles about Art-Culture, Music-Dance-Dramma, History, Religion, Philosophy and Language Edited by Associate Prof. Nilamani Phukan of Morigaon College and published by Morigaon College, Morigaon, Assam, Pin - 782105.

**প্ৰথম প্ৰকাশ ঃ** জানুৱাৰী, ২০১৫

**প্ৰকাশক ঃ** মৰিগাঁও মহাবিদ্যালয়
©ঃ মৰিগাঁও মহাবিদ্যালয়
ISBN : 987-93-82384-37-3

**সম্পাদনা সমিতি ঃ**

**উপদেষ্টা ঃ**

ড° নগেন শইকীয়া, প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা

ড° গিৰীশ শৰ্মা, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

ড° নৰকুমাৰ সন্দিকৈ, অধ্যাপক, ডিব্ৰুগড় বিশ্ববিদ্যালয়

বিৰিঞ্চিধৰ বুঢ়াগোহাঁঞি, অৱসৰপ্ৰাপ্ত অধ্যাপক, মৰিগাঁও মহাবিদ্যালয়

মনেশ্বৰ দেউৰী, বিশিষ্ট গৱেষক, মৰিগাঁও

ড° অৰুণিমা শৰ্মা, সহযোগী অধ্যাপক, মৰিগাঁও মহাবিদ্যালয়

**সভাপতি ঃ**

জীৱকান্ত নাথ

**সম্পাদক ঃ**

নীলমণি ফুকন

**সদস্য ঃ**

নাৰায়ণ শইকীয়া

সঞ্জীৱ হুছেইন ঠাকুৰীয়া

ড° দিগন্ত কুমাৰ নাথ

অচ্যুত কুমাৰ দাস

**বেটুপাত ঃ**

বিতুৰাজ বৰগোহাঁই (দাদু)

**অক্ষৰবিন্যাস ঃ**

নৰিমা, ৰফিউল

**অলংকৰণ ঃ**

বুবু শইকীয়া

**অৰিহণা ঃ**

তিনিশ (৩০০/-) টকা

**মুদ্ৰণ ঃ**

বৃক্ষ প্ৰেছ এণ্ড পাব্লিকেশ্যন, মৰিগাঁও

# পাৰিপাৰ্শ্বিক আৰু হিন্দুধৰ্মীয় পৰম্পৰা ঃ এক আধ্যাত্মিক পৰিপ্ৰেক্ষ্য

ড° সঞ্চিতা বৰা

পাৰিপাৰ্শ্বিক বুজাবলৈ ব্যৱহৃত সংস্কৃত ভাষাৰ আধুনিক শব্দ 'পৰ্যাবৰণ'ৰ অৰ্থ হৈছে 'যি আমাক আৱৰি ৰাখে'। ১৯৮৬ চনৰ পৰিৱেশ সংৰক্ষণ বিধি মতে পাৰিপাৰ্শ্বিক বা পৰিৱেশ হৈছে যি পানী, মাটি আৰু বায়ু তিনিওকে আৰু সিবিলাকৰ মাজৰ আন্তঃ সম্পৰ্কক বুজায়। তদুপৰি এই তিনিওটাৰ লগত মানৱ জাতি, অন্য জীৱ-জন্তু, গছ-গছনি, অনুজীৱ আৰু নিৰ্জীৱ সম্পদৰ মাজত বৰ্তি থকা সহানুবন্ধকো পাৰিপাৰ্শ্বিকতাই সামৰি লয়। আন কথাত কবলৈ গ'লে, মূলতঃ দুই উপাদান জৈৱিক আৰু অজৈৱিকেৰে গঠিত পৰিৱেশ মানে হ'ল ক্ৰিয়া-প্ৰতিক্ৰিয়া বিশিষ্ট এক দৈহিক-ভৌতিক তন্ত্ৰ য'ত ভৰ, শক্তি আৰু আন চাৰিত্ৰিক লক্ষণবো বিনিময় হয়।

উন্নত আৰু উন্নয়নশীল দেশসমূহত বৰ্তমান সময়ৰ এক উল্লেখযোগ্য সম্পাদ্য হৈছে পৰিৱেশ সম্পৰ্কীয় সমস্যা। সাধাৰণতে দেখা যায় যে পৰিৱেশ সংৰক্ষণ আৰু উন্নতি এনে দুটা আকৃতিকল্প বা সূচী যি কেতিয়াও সংঘাত নোহোৱাকৈ চলিব নোৱাৰে। বৈজ্ঞানিক উন্নয়নে প্ৰযুক্তিৰ ফালৰ পৰা মানুহক প্ৰকৃতিৰ ওপৰত শ্ৰেষ্ঠতা প্ৰদৰ্শনৰ সুবিধা দিলে; ফলস্বৰূপে তথাকথিত বিজ্ঞান-প্ৰযুক্তিৰ ক্ষিপ্ৰ উন্নয়নে পৰিবেশলৈ অমানুষিক ধ্বংস মাতি আনিলে। ১৯৭২ চনৰ ৫ জুনত ৰাষ্ট্ৰসংঘই প্ৰথম বিশ্ব পৰিবেশ দিৱস উদ্‌যাপন কৰে। ইয়াৰ মূল উদ্দেশ্যই হৈছে পৰিবেশ সজাগতা আৰু পৰিবেশ সংৰক্ষণৰ উদ্দেশ্যে বিভিন্ন কাম কাজক উৎসাহিত কৰা। ৰাষ্ট্ৰসংঘৰ উচ্চস্তৰীয় বিশেষজ্ঞ কমিতিয়ে যি দহটা ভাবুকি মুকলিকৈ ব্যক্ত কৰিছে তাৰ ভিতৰত এটা হৈছে পৰিৱেশৰ হীনাৱস্থা। পোপ বেনেডিক্ট